Date:- 4/4/20

Prepared by
Bhuyan

Q. Write about the relation between philosophy and Education.

Ans:- দৰ্শন আৰু শিক্ষাৰ মাজত এক নিবিড় সম্পৰ্ক আছে। দৰ্শনে বাট দেখুৱাই অৰ্থাৎ দৰ্শন হৈছে পথ প্ৰদৰ্শক, ই শিক্ষাৰ লক্ষ্য স্থিৰ কৰে আৰু শিক্ষাই সেই লক্ষ্যসমূহত উপনীত হ'ব পৰাকৈ ব্যক্তিক প্ৰস্তুত কৰি তোলে। সেয়েহে মানুহৰ শৰীৰটোৰ লগত ছাঁটোৰ যেনে সম্বন্ধ শিক্ষাৰ লগতো দৰ্শনৰ তেনে সম্বন্ধ বুলিয়ে কোৱা হয়। একটোক বাদ দি আনটো কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে।

শিক্ষাই শিশুৰ আচৰণৰ সংশোধন সাধন কৰিবলৈ চেষ্টা কৰে আৰু দৰ্শনে শিশুৰ আচৰণ কেনেদৰে সংশোধন কৰিব লাগে সেই সম্পৰ্কে জ্ঞান প্ৰদান কৰে। দৰ্শনে জ্ঞান দান কৰে আৰু শিক্ষাই সেই জ্ঞান এজন পুৰুষৰ পৰা আন এটা পুৰুষলৈ হস্তান্তৰ কৰাৰ মাধ্যম হিচাপে কাম কৰে। দৰ্শনে প্ৰকৃতিৰ সূত্ৰ আৱিষ্কাৰ কৰে, শিক্ষাই সেইবোৰ প্ৰয়োগ কৰে। দৰ্শনে আদৰ্শ মূল্য আৰু নীতি দান কৰে আৰু শিক্ষাই সেই আদৰ্শ, মূল্য আৰু নীতিক লৈ কাৰ্য সম্পাদন কৰে। দৰ্শন হৈছে তত্ত্ব আৰু শিক্ষা হৈছে দৰ্শনৰ প্ৰায়োগিক দিশ।

দৰ্শনে পথৰ সন্ধান দিয়ে, শিক্ষাই সেই পথত আগুৱাই যোৱাত সহায় কৰে।

দৰ্শনে শিক্ষাৰ উদ্দেশ্য নিৰ্ধাৰিত কৰে আৰু দৰ্শনে সেই উদ্দেশ্যত উপনীত হোৱাৰ পথ নিৰ্দেশনা কৰে।

দৰ্শনে কেনেধৰণৰ জীৱন জীয়াই থকাৰ বাবে উপযোগী সেই সম্পৰ্কে জনায় আৰু শিক্ষাই জীয়াই থকাৰ উপযোগী কৰি গঢ়ি তোলে।

দৰ্শনে জীৱনৰ লক্ষ্য সম্বন্ধে জানিবলৈ দিয়ে আৰু শিক্ষাই সেই লক্ষ্যত উপনীত

Scanned with CamScanner

Date: 4/4/20

Prepared by Abhyan

হোৱাত সহায় কৰে।

শিক্ষাৰ প্ৰতিটো সমস্যাই দৰ্শনৰ লগত জড়িত, দৰ্শনৰ ভেটিতে শিক্ষাৰ লক্ষ্য, পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি, শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা শিক্ষাত অনুশাসন আৰু স্বাধীনতাৰ ভূমিকা বিদ্যালয় পৰিচালনা ইত্যাদি সকলোবোৰ দিশ নিৰ্দ্ধাৰণ কৰা হয়,

ৰচৰমতে শিক্ষা আৰু দৰ্শন একেটা মুদ্ৰাৰে দুটাফাল। (Education and philosophy are two sides of a same coin.)

জন আডামছে কৈছিল যে - শিক্ষা হৈছে দৰ্শনৰ গতিশীল ফাল (Education is the dynamic side of philosophy)

শিক্ষাৰ লক্ষ্য উদ্দেশ্য তথা বিষয়বস্তু নিৰ্ধাৰণ কৰোঁতে শিক্ষাৰ আচনি প্ৰস্তুতকাৰীসকলৰ ওপৰত আদৰ্শ তথা দৰ্শনৰ ওপৰত নিৰ্ভৰ কৰে।

শিক্ষাৰ লক্ষ্য, পদ্ধতি, নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সেই দেশৰ দাৰ্শনিকসকলৰ বিভিন্ন দৰ্শন অনুযায়ী নিৰ্ধাৰণ কৰা হয়। যেনে - শিক্ষাৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱা দৰ্শনসমূহৰ ভিতৰত প্ৰকৃতিবাদ, ভাববাদ প্ৰয়োগবাদ আদি উল্লেখযোগ্য। এই দৰ্শনসমূহে শিক্ষাৰ লক্ষ্য নিৰ্দ্ধাৰণত বিশেষভাৱে প্ৰভাৱ পেলাইছে।

ৰুচোৰ প্ৰকৃতিবাদ দৰ্শনৰ ওপৰত ভিত্তি কৰি শিশুৰ স্বভাৱসুলভ শিক্ষা, প্ৰকৃতিৰ দ্বাৰা শিক্ষা (Education through nature) গঢ় লৈ উঠিছে, ফ্ৰয়েবেলৰ আদৰ্শবাদৰ ওপৰত ভিত্তি কৰি কিণ্ডাৰ গাৰ্টেন পদ্ধতি, ডিউইৰ প্ৰয়োগবাদৰ ওপৰত প্ৰকল্প পদ্ধতি (project Method) গঢ় লৈ উঠিছে, ঠিক তেনেদৰে মহাত্মা গান্ধীৰ গান্ধীবাদৰ ভিত্তিত বুনিয়াদী শিক্ষা (Basic Education) গঢ় লৈ উঠিছে।

ওপৰোক্ত আলোচনাৰ পৰা ক'ব পাৰি যে দুয়োটাই এটাই আনটোক বাদ দি জীয়াই থাকিব নোৱাৰে। দুয়োটা এটা আনটোৰ পৰিপূৰক। (Both are interrelated and inter-dependent).

Scanned with CamScanner

# Notes

prepared by Ebhuyan 3/4/20

**Course Contents**

## Unit 1: Philosophy and Education:

**Questions:-**

Answer the following:-

1. What do you mean by philosophy?

Ans:→ দৰ্শন শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'philosophy' এই শব্দটো গ্ৰীক ভাষাৰ 'philos' and 'sophia' শব্দ দুটাৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে 'Love' & 'wisdom'. গতিকে দৰ্শন মানে হৈছে জ্ঞানৰ প্ৰতি অনুৰাগ (Love of wisdom).

2. 'Philosophy is the mother of all arts' — Who said this?

Ans:- 'দৰ্শন হৈছে সকলোবোৰ কলাৰে মাতৃ' — কথাষাৰ চিচেৰোৱে (Cisero) কৈছিল।

3. 'Philosophy is the doctrine or science of knowledge' — Who made this statement?

Ans:→ 'দৰ্শন হৈছে জ্ঞান সম্বন্ধীয় মতবাদ বা বিজ্ঞান' — কথাষাৰ ফিক্টে (Fichte) কৈছিল।

4. 'Philosophy is a logical enquiry into the nature of reality' — Who said this?

Ans:→ 'বাস্তৱ প্ৰকৃতি সম্পৰ্কে যৌক্তিক বিচাৰেই হৈছে দৰ্শন' — কথাষাৰ ৰাধাকৃষ্ণনে (Radha-krishnan) কৈছিল।

5. 'Education and philosophy are two side of a same coin' — Who made this statement?

Ans:→ 'শিক্ষা আৰু দৰ্শন একেটা মুদ্ৰাৰে দুটা ফাল' — কথাষাৰ ৰচে (Ross) কৈছিল

Scanned with CamScanner